OFFICE OF THE STATE COORDINATOR, NRC
ACHYUT PLAZA (1ST FLOOR), BHARALUPAR, BHANGAGARH, GUWAHATI -781005

স্মাৰক নং SPMU/NRC/Dist.Co-Equip/678/2015/Pt-3/23 তাং ১৫ আগষ্ট, ২০১৭

প্ৰতি

সম্পাদক,
আমাৰ অসম, জি এল পাব্লিকেশ্যন, উলুবাৰী,
গুৱাহাটী-৭।

বিষয় : আমাৰ অসমত প্ৰকাশিত বাতৰিৰ স্পষ্টীকৰণ প্ৰকাশৰ বাবে অনুৰোধ-

প্ৰসংগ : ১০-০৮-২০১৭ ইংৰাজী তাৰিখৰ 'আমাৰ অসম' কাকতত "ডাটা এন্ট্ৰী অ'পাৰেটৰৰ দৰমহাৰ ধন আত্মসাৎ কৰিছে মধ্যভোগীয়ে- নিৰ্দ্ধাৰিত ১৪,৫০০ টকাৰ বিপৰীতে ডাটা এন্ট্ৰী অ'পাৰেটৰক দিয়া হয় মাত্ৰ ৫ হাজাৰ টকা- নাগৰিক পঞ্জী উন্নীতকৰণত ১২৫ কোটি টকাৰ কেলেংকাৰি" শীৰ্ষক বাতৰি দ্ৰষ্টব্য-

মহাশয়,

প্ৰসংগ নিৰ্দ্দেশত উল্লেখিত বাতৰিৰ সংশ্লিষ্ট "নিউজ পেপাৰ ক্লিপিং" সংলগ্ন কৰি জনসাধাৰণক প্ৰকৃত সত্য অৱগত কৰোৱাৰ বাবে প্ৰয়োজনীয় ৰাজহুৱা স্বাৰ্থৰ খাতিৰত ইয়াৰ সৈতে এটা স্পষ্টীকৰণ আপোনাৰ দ্বাৰা সম্পাদিত জনপ্ৰিয় 'আমাৰ অসম' কাকতত প্ৰকাশৰ বাবে সন্মান সহকাৰে প্ৰেৰণ কৰিলোঁ ।

**স্পষ্টীকৰণ :**

ডাটা ভৰোৱা কামৰ বাবে প্ৰচলিত জনপ্ৰিয় "আউট্চৰ্চ" পদ্ধতিৰে উইপ্ৰ'ক নিয়োগ কৰা হৈছে। মুকলি নিবিদা (Open Tendering)ৰ যোগেদি এই কামৰ বাবে উইপ্ৰ'ক বাছনি কৰা হৈছে। এই ক্ষেত্ৰত সকলো সময়তে প্ৰয়োজনীয় সংখ্যক ডাটা এন্ট্ৰি অ'পাৰেটৰৰ নিৰবিচ্ছিন্ন উপস্থিতিৰে অবিৰত ভাৱে মানবিশিষ্ট ডাটা ভৰোৱাৰ কাম সম্পাদন নিশ্চিত কৰাটোৱেই হৈছে এন আৰ চি কৰ্তৃপক্ষৰ প্ৰাথমিক প্ৰয়োজনীয়তা ।পাৰস্পৰিক গ্ৰহণযোগ্যতাৰ ভিত্তিত নিৰ্দ্ধাৰিত মাহিলী বেতন সম্পৰ্কে প্ৰত্যেকজন অ'পাৰেটৰৰ লগত চুক্তি কৰি উইপ্ৰ'ই তেওঁলোকক নিযুক্তি দিছে।মুকলি বজাৰৰ নীতি (Open Market Principle)ৰ আধাৰত গৃহীত বেতনৰ হাৰ এন আৰ

চি কৰ্তৃপক্ষই নিৰ্দ্ধাৰণ কৰা নাই। 'উইপ্ৰ'ৰ লগত চহী কৰি চুক্তিবদ্ধ হোৱা মৰ্ম্মেই অ'পাৰেটৰসকলে বেতন পায় আৰু তাৰ কোনো তাৰতম্য হোৱা নাই আৰু সেয়েহে তেওলোকক প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ প্ৰশ্ন নাহে। বাতৰিটোত ডাটা এণ্ট্ৰি অ'পাৰেটৰৰ বাবে ধাৰ্য্য কৰা ধন মধ্যভোগী বা এন আৰ চি কৰ্তৃপক্ষই আত্মসাৎ কৰাৰ অভিযোগো অনা হৈছে। এই বিষয়ে স্পষ্ট কৰি দিয়া হ'ল যে উইপ্ৰ'ই পোৱা আৰু আদায় দিয়া ধনৰ পৰিমাণ আৰু লাভালাভ়ৰ সবিশেষ তথ্য তেওঁলোকৰ ঘোষিত হিচাপ পত্ৰৰ প্ৰবিবৰণী আৰু বাৰ্ষিক প্ৰতিবেদনত বিতং ভাবে প্ৰতিফলিত হয়। ক্ষমতাপ্ৰাপ্ত কৰ্তৃপক্ষই সেইবোৰ পৰীক্ষা কৰিব পাৰে। বাতৰিটোত অ'পাৰেটৰৰ বাবে ধাৰ্য্য কৰা ধন এন আৰ চি কৰ্তৃপক্ষই আত্মসাৎ কৰা বুলি অনা অভিযোগটো গোকাট মিছা আৰু ভিত্তিহীন।

প্ৰণিধানযোগ্য যে 'উইপ্ৰ'ক পৰিশোধ কৰিবলগীয়া অ'পাৰেটৰৰ মাহিলী দৰমহাৰ নিৰিখ হৈছে "টাৰ্ণকি/পেকেজড" নিৰিখ য'ত বেমাৰ-আজাৰ, প্ৰাপ্য ছুটী উপভোগকে ধৰি আন যিকোনো সাধাৰণ কাৰণত কোনো অ'পাৰেটৰ হঠাৎ কামত অনুপস্থিত থাকিলে কাম অব্যাহত ৰাখিবলৈ প্ৰয়োজনীয় আচুতীয়া অ'পাৰেটৰৰ দলৰ ব্যৱস্থাপনা, অ'পাৰেটৰৰ নিয়মানুবৰ্ত্তীতা বৰ্ত্তাই ৰখাৰ ব্যৱস্থা কৰা আৰু অ'পাৰেটৰৰ নিযুক্তি আদিৰ ক্ষেত্ৰত বহন কৰিবলগীয়া দায়িত্বও অন্তৰ্ভূক্ত হৈ আছে। প্ৰণিধানযোগ্য যে 'উইপ্ৰ'ক পৰিশোধ কৰিবলগীয়া ধনৰ তুলনা কৰোঁতে উপৰোক্ত ব্যয়ৰ প্ৰসংগও বিবেচনাযোগ্য। এন আৰ চি কৰ্তৃপক্ষ আৰু উইপ্ৰ' (চিষ্টেম ইন্টিগ্ৰেট'ৰ) ৰ মাজৰ চুক্তিৰ চৰ্ত্তানুসাৰেও অ'পাৰেটৰৰ অবিৰত উপস্থিতি নিশ্চিত কৰিব নোৱাৰিলে উইপ্ৰ'ৰ পৰা পৰিশোধেয় ধন কৰ্ত্তন কৰাৰ ব্যৱস্থা আছে। ডাটা ভৰোৱা কামৰ সম্পৰ্কত ব্যৱহৃত বহুসংখ্যক ভিন ভিন 'চফ্‌টওৱেৰ এপ্লিকেশ্যন' কাৰ্য্যকৰী কৰাৰ আৱশ্যকতা অনুযায়ী উইপ্ৰ'ই অ'পাৰেটৰ সকলক পৰ্য্যাপ্ত প্ৰশিক্ষণ দিব লাগে যাৰ বাবে চৰকাৰে কোনো অতিৰিক্ত খৰচ বহন কৰিব নালাগে। এন আৰ চি উন্নীতকৰণৰ কাম অব্যাহত থকাৰ সময়ত উইপ্ৰ'ক ধন আদায় দিওঁতে হোৱা বিলম্বৰ সময়তো উইপ্ৰ'ই অ'পাৰেটৰ সকলক বেতন দি থকাৰ উদাহৰণ আছে।আনহাতেদি, এন আৰ চি প্ৰকল্পৰ স্পৰ্শকাতৰতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকল্প ৰূপায়নৰ মূল্যায়ন কৰোঁতে উইপ্ৰ' বা আন যি কোনো পক্ষই (Vendor) ৰূপায়নৰ লগত জড়িত ক্ষয়-ক্ষতিৰ আশংকাৰ দিশটোও বিবেচনা কৰে । এন আৰ চি কৰ্তৃপক্ষৰ বাবে নিৰ্দ্দিষ্ট সময়ত গুণগত মান বিশিষ্ট ডাটা ভৰোৱাৰ কাম সম্পূৰ্ণ কৰিব'লৈ নিয়মিত ভাবে যোগ্য অ'পাৰেটৰ উপলব্ধ হোৱাটো সৰ্ব্বপ্ৰধান বিবেচ্য বিষয় । এই পৰ্য্যন্ত এই কাম সুচাৰুৰূপে হৈছে।

OFFICE OF THE STATE COORDINATOR, NRC
ACHYUT PLAZA (1ST FLOOR), BHARALUPAR, BHANGAGARH, GUWAHATI -781005

যিহেতু এন আৰ চি উন্নীতকৰণৰ কামটো অত্যন্ত অগ্ৰাধিকাৰপ্ৰাপ্ত, সেয়েহে আপোনাৰ বহুল প্ৰচাৰিত জনপ্ৰিয় কাকতত এই বিষয়ক বা-বাতৰি পৰিবেশন কৰোঁতে অনাকাংক্ষিত পৰিণামৰ পৰা হাত সাৰিবলৈ প্ৰয়োজনীয় সংযম ৰক্ষা কৰাৰ বাবে বিনম্ৰ অনুৰোধ কৰা হ'ল। এই স্পষ্টীকৰণটো "আমাৰ অসম" কাকতৰ মূখ্য স্থানত অত্যন্ত জৰুৰীভাবে প্ৰকাশ কৰিবলৈ সন্মান সহকাৰে অনুৰোধ জনালো ।

ইতি ভবদীয়,

(প্ৰতীক হাজেলা, আইএএছ)
ৰাজ্যিক সমন্বয়ক, এন আৰ চি,
অসম